বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

## খোতবা জুমা

# সত্যৰ আলোকত আঁহজৰত (ছাঃ)ৰ জীৱনীৰ ঈমান উদ্দীপক বৰ্ণনা

**হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ২৪ এপ্ৰিল ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তশ্বাহুদ, তা’উজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে যোৱা খুতবাত হজৰত মুহাম্মদ (ছাঃ)-ৰ সত্যবাদিতাৰ উচ্চ মানদণ্ডৰ সৈতে তেখেতৰ উত্তম আদৰ্শ আৰু মুমিনসকললৈ দিয়া উপদেশ তথা নিৰ্দেশনাৰ বিষয়ে উল্লেখ কৰা হৈছিল। এই সন্দৰ্ভত অধিক বৰ্ণনা আগবঢ়াম।

তেখেত (ছাঃ)এ কৈছে, এজন মানুহ মিছলীয়া বুলি প্ৰমাণিত হ’বলৈ এইটোৱেই যথেষ্ঠ যে তেওঁ যি শুনে তাকেই মানুহৰ আগত কৈ ফুৰে। এতিয়া মন কৰক যে এই অভ্যাসটো সাধাৰণতে মানুহৰ মাজত থাকে আৰু জামাতৰ কিছুমান লোকৰ মাজতো ইয়াক যথেষ্ট পৰিমাণে দেখা যায়।

আন এটা বিৱৰণত পোৱা যায়, হজৰত আয়শা (ৰাঃ)-এ কৈছে যে ৰছুলুল্লাহ (ছাঃ)-ৰ চাহাবাসকলৰ বাবে মিছা কথা কোৱাটো আন অভ্যাসতকৈ অধিক অপ্ৰিয় আছিল। যদি কোনো ব্যক্তিয়ে নবী (ছাঃ)-ৰ সন্মুখত মিছা কথা কৈছিল, তেন্তে সেই কথাটো তেখেত (ছাঃ) অন্তৰত ৰৈ গৈছিল। তেখেত (ছাঃ) জানিছিল যে তেওঁ মিছা কৈছে আৰু ইয়াৰ বাবে তেখেতে অত্যন্ত কষ্ট অনুভৱ কৰিছিল। সেই কথাটো তেখেত (ছাঃ)এ মনত ৰাখিছিল যেতিয়ালৈকে তেখেতে নিশ্চিত নহয় যে সেই ব্যক্তিজনে সেই মিছাৰ পৰা তওবা কৰিছে, সংশোধন কৰিছে আৰু মিছা কোৱাৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি আহিছে।

আকৌ হজৰত আছমা (ৰাঃ)-ৰ পৰা বৰ্ণিত এটা বিৱৰণত উল্লেখ আছে যে এগৰাকী মহিলাই নবী (ছাঃ)-ৰ ওচৰলৈ আহি সুধিছিল, মোৰ এগৰাকী সতিনী আছে। মোৰ বাবে কিবা পাপ হ’ব নেকি যদি মই মোৰ স্বামীৰ সম্পদৰ পৰা অধিক লাভ  কৰা বুলি প্ৰকাশ কৰো, যিটো প্ৰকৃততে তেওঁ মোক দিয়া নাই? মই কেৱল তাইক জোকাবলৈ বা আমনি কৰিবলৈহে এনে কৰিব বিচাৰো।

ৰছুলে কৰিম (ছাঃ)এ কৈছে,

যি ব্যক্তিয়ে নিজক এনেকুৱা বস্তুৰে পৰিপূৰ্ণ বুলি দেখুৱায় যিটো তাক দিয়া হোৱা নাই, সেইজন তেনে এজন মানুহৰ দৰে যিয়ে মিছাৰ দুখন কাপোৰ পিন্ধি আছে।

ইয়াৰ ব্যাখ্যাত লিখা হৈছে যে ‘কাপোৰ’ শব্দটো ইয়াত উদাহৰণ হিচাপে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ অৰ্থ হ’ল সেইজন ব্যক্তি মিছা আৰু প্ৰবঞ্চনাৰ আশ্ৰয় লোৱা লোক, তেওঁ যেন মিছাৰ দুখন কাপোৰ পিন্ধি আছে— এখন চাদৰ হিচাপে গাত মেৰিয়াই লৈছে আৰু আনখন ধুতি (তহবন্দ) হিচাপে পিন্ধিছে।

নবী কৰিম (ছাঃ)-এ কৈছে, যাৰ মাজত চাৰিটা অভ্যাস থাকে তেওঁ এজন সম্পূৰ্ণ মুনাফিক (কপটচাৰী), আৰু যাৰ মাজত ইয়াৰ যিকোনো এটা অভ্যাস থাকে, তেওঁৰ মাজত নিফাকৰ (কপটতাৰ) এটা অভ্যাস থাকে যেতিয়ালৈকে তেওঁ তাক ত্যাগ নকৰে। সেইবোৰ হ’ল: ১. আমানত ৰাখিলে বিশ্বাসঘাতকতা কৰে, ২. কথা পাতিলে মিছা কয়, ৩. প্ৰতিশ্ৰুতি দিলে সেয়া ভংগ কৰে, আৰু ৪. কাজিয়া কৰিলে গালি-গালাজ কৰে।

এই সকলোবোৰ কথা প্ৰত্যক্ষ বা পৰোক্ষভাৱে মিছাৰ ফালে লৈ যায় অথবা ইয়াৰ দ্বাৰা মিছা প্ৰকাশ পায়। নবী কৰিম (ছাঃ)-এ কৈছে, যেতিয়া কোনো বান্দাই মিছা কয়, তেতিয়া তেওঁ কৰা সেই কামটোৰ দুৰ্গন্ধৰ বাবে ফিৰিস্তা তেওঁৰ পৰা এক মাইল দূৰলৈ আঁতৰি যায়। এবাৰ ৰাছুলুল্লাহ (ছাঃ) এ শস্যৰ কাযেৰে পাৰ হৈ আছিল। তেখেত (ছাঃ)এ যেতিয়া শস্যৰ ভিতৰত হাত দিছিল, তেতিয়া তেখেতৰ আঙুলিবোৰ তিতা লাগিছিল। তেখেতে সুধিলে, এইটো কি কথা? এইটো ভিতৰৰ পৰা তিতা কিয়? শস্যৰ মালিকে ক’লে, হে আল্লাহৰ ৰাছুল! ইয়াৰ ওপৰত বৰষুণ পৰিছিল। তেখেত (ছাঃ) ক’লে, তেনেহ’লে তুমি তিতা শস্যখিনি ওপৰত কিয় নাৰাখিলা? যাতে মানুহে সেয়া দেখা পালেহেঁতেন। তেখেত (ছাঃ)এ কৈছে, যিয়ে প্ৰতাৰণা কৰে, তেওঁ মোৰ দলৰ নহয়।

হুজুৰে কৈছে: আজি আমি যিসকলে হজৰত মছীহ মাওউদ (আঃ)-ক মানি লৈ মুহাম্মদ মুস্তাফা (ছাঃ)-ৰ ওপৰত প্ৰকৃত ঈমান অনাৰ ঘোষণা কৰোঁ, আমাৰ প্ৰতিটো কথা আৰু কামত সততাৰ উচ্চ মানদণ্ড থাকিব লাগে। অন্যথা নবী কৰিম (ছাঃ)-এ কৈছে যে যদি এয়া নাথাকে, তেন্তে তোমালোক মোৰ নহয় আৰু তোমালোকৰ সৈতে মোৰ কোনো সম্পৰ্ক নাই।

ৰছুলুল্লাহ (ছাঃ) সদায় সঁচা কথা কোৱা আৰু আমানতদাৰী তথা সততাৰ ক্ষেত্ৰত আটাইতকৈ অগ্ৰণী হোৱাৰ বাবে মানুহৰ মাজত **‘ছাদিক’** (সত্যবাদী) আৰু **‘আমিন’** (বিশ্বস্ত) নামেৰে বিখ্যাত আছিল।

এজন লেখকে লিখিছে যে ইছলামৰ পূৰ্বে জাহিলিয়তৰ যুগত তেওঁলোকৰ ওচৰলৈ কোনো সতৰ্ককাৰী (নবী) অহা নাছিল। মানুহে মূৰ্তি আৰু চয়তানৰ উপাসনা কৰিছিল। নবী কৰিম (ছাঃ) সেই মূৰ্তি পূজাৰীসকলৰ মাজতেই আছিল, কিন্তু তেওঁ কেতিয়াও কোনো মূৰ্তিৰ প্ৰতি আসক্তি দেখুওৱা নাছিল আৰু তেওঁলোকৰ কোনো ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰা নাছিল। তেখেতৰ মুখৰ পৰা কোনেও কেতিয়াও মিছা কথা শুনা নাছিল। মানুহে তেখেতক সত্যবাদী, বিশ্বস্ত, ধৈৰ্য্যশীল আৰু দয়ালু বুলি গণ্য কৰিছিল। আনকি ইছলামৰ পূৰ্বে জাহিলিয়তৰ যুগত মানুহে নিজৰ বিবাদৰ নিষ্পত্তিৰ বাবে ৰাছুলুল্লাহ (ছাঃ)-ৰ ওচৰলৈ আহিছিল।

হজৰত মুছলেহ মাওউদ (ৰঃ)-এ কৈছে যে এয়া তেখেত (ছাঃ) উত্তম চৰিত্ৰৰ সেই সাৰ্বজনীন সাক্ষ্য যিটো তেখেতৰ নিজৰ জাতিয়েই দিছিল। তেখেতৰ নবুয়তৰ দাবীৰ আগতেই তেখেত (ছাঃ) ৰ জাতিয়ে তেখেতৰ নাম **‘আমিন’** (বিশ্বাসী) আৰু **‘ছাদিক’** (সত্যবাদী) ৰাখিছিল। পৃথিৱীত এনে বহু লোক আছে যিসকলে কোনো কঠিন পৰীক্ষাৰ মাজেৰে পাৰ হোৱাৰ সুযোগ নাপায়। হয়, তেওঁলোকে সাধাৰণ পৰীক্ষাৰ মাজেৰে পাৰ হয়, কিন্তু তথাপিও তেওঁলোকৰ জাতিয়ে তেওঁলোকক কোনো বিশেষ নাম নিদিয়ে। যেনেকৈ যুদ্ধত লিপ্ত হোৱা প্ৰতিজন সৈনিকে নিজৰ জীৱন বিপদাপন্ন কৰে, কিন্তু জাতিয়ে প্ৰতিজনকে ’ভিক্টোৰিয়া ক্ৰছ’ নিদিয়ে, নতুবা জাৰ্মান জাতিয়ে প্ৰতিজনকে ’আইৰণ ক্ৰছ’ প্ৰদান নকৰে। এনেস্থলত এজন ব্যক্তিক গোটেই জাতিয়ে ‘আমিন’ আৰু ‘ছাদিক’ উপাধি দিয়াটো এক

অসাধাৰণ কথা। গতিকে আৰৱৰ শ শ বছৰৰ ইতিহাসত জাতিটোৱে কেৱল এজন ব্যক্তিকহে 'আমিন' আৰু 'ছাদিক' উপাধি দিয়াটোৱে প্ৰমাণ কৰে যে তেওঁৰ আমানতদাৰী (বিশ্বস্ততা) আৰু সত্যবাদিতা ইমানেই উচ্চমানৰ আছিল যে আৰৱসকলৰ জ্ঞানত তেনে উদাহৰণ আন কোনো ব্যক্তিৰ মাজত পোৱা নগৈছিল। আৰৱসকল তেওঁলোকৰ সূক্ষ্ম পৰ্যবেক্ষণৰ বাবে পৃথিৱীত পৃথক আছিল। গতিকে, যিটো বস্তু তেওঁলোকে 'বিৰল' বুলি গণ্য কৰিছিল, সেয়া নিশ্চিতভাৱে পৃথিৱীত বিৰল বুলি গণ্য কৰাৰ যোগ্য।

হজৰত মুচলেহ মাওউদ (ৰাঃ)এ আঁহজৰত (ছাঃ)ৰ জীৱনী বৰ্ণনা কৰি এঠাইত লিখিছে যে ৰছুল কৰীম (ছাঃ)-এ যেতিয়া নিজৰ পত্নীক খবৰ দিয়ে যে মোৰ ওপৰত এইদৰে ওহী (ঐশ্বৰিক বাণী অৱতীৰ্ণ হৈছে, তেতিয়া পত্নীয়ে এই বুলি নকয় যে আপুনি কি মিছা কথা সাজিছে? বৰঞ্চ তেওঁ কয়—আপুনি চিন্তা নকৰিব, আপুনি যি দেখিছে সেয়া ঠিক দেখিছে। আল্লাহ তা'লাই আপোনাক কেতিয়াও ধ্বংস নকৰে, কাৰণ আপুনি মিছা কথা নকয়, দুখীয়াৰ বোজা বহন কৰে, হেৰাই যোৱা নৈতিকতা পুনৰ প্ৰতিষ্ঠা কৰে, অতিথিৰ আপ্যায়ন কৰে আৰু সত্য তথা অধিকাৰ ৰক্ষা কৰে।

তাৰ পিছত তেওঁ তেখেত (ছাঃ)ক নিজৰ ভাতৃ ওৱাৰকা বিন নৌফলৰ ওচৰলৈ লৈ যায়। তেওঁ ইজৰাইলী শাস্ত্ৰৰ আলিম আছিল। তেওঁ শুনাৰ লগে লগে ক'লে যে এই ওহীৰ মাজত তেনেধৰণৰ আদেশ আৰু ঘোষণা পোৱা গৈছে যিবোৰ মুছা (আঃ)-ৰ ওহীত আছিল। ঘৰত এজন ডেকা ভাতৃ আছিল যিজন যুৱকসকলৰ মাজত ধৰ্ম প্ৰচাৰৰ এজন উত্তম মাধ্যম হ'ব পাৰে। তেওঁ নিজৰ ককাইদেউ আৰু ভাবীৰ কথা শুনি ক'লে— মোৰো বিশ্বাস আছে যে আপুনি সত্যবাদী আৰু নিশ্চয় আল্লাহ তা'লাই আপোনাৰ লগত কথা পাতিছে।

তাৰ পিছত এজন মুক্ত কৃতদাস (হজৰত জায়েদ) যিজন তেখেতৰ চৰিত্ৰৰ দ্বাৰা ইমান প্ৰভাৱিত হৈছিল যে তেওঁ নিজৰ মাক-দেউতাকক ত্যাগ কৰি তেখেতৰ দুৱাৰমুখত বহি পৰিছিল। যেতিয়া তেওঁ লাহে লাহে হোৱা কথাবোৰ শুনে আৰু নিজৰ মালিকৰ মুখমণ্ডলত চিন্তা আৰু উদ্বেগৰ লক্ষণ দেখে, তেতিয়া তেওঁ আগুবাঢ়ি আহি নিজৰ মালিকৰ আঁচল ধৰি কয়— হে মোৰ আকা ! আপুনি যি দেখিছে সেয়াই হ'ব। আপুনি যি কৈছে আৰু যি দেখিছে সেয়া সত্য। মোকো আপোনাৰ লগতে থাকিবলৈ দিয়ক।

তাৰ পিছত এজন অতি ঘনিষ্ঠ বন্ধু, যেনে এটা মুকুতাৰ বুকুত ডাঙৰ হোৱা দ্বিতীয়টো মুকুতা। তেওঁ শুনে যে তেওঁৰ বন্ধুজনে এনে কিছুমান কথা কৈছে যাৰ কোনো ভিত্তি নাই (লোকৰ ধাৰণা অনুসৰি) আৰু হয়তো তেওঁৰ মগজুৰ বিকৃতি ঘটিছে। তেওঁ আহি কয়— কেৱল এইটো কওক যে এই কথাবোৰ সঁচানে? আৰু তেখেতৰ সততা নিশ্চিত কৰাৰ পিছত তেওঁ কয়— হে মোৰ সত্যবাদী বন্ধু! মই আপোনাৰ নবুয়তৰ ওপৰত ঈমান আনিছোঁ।

আল্লাহ তা'লাৰ কৌশল চাওক! বিৰোধিতাৰ ধুমুহা অহাৰ আগতেই কেনেকৈ তেখেত (ছাঃ)ৰ সংগীসকলক সৃষ্টি কৰি দিলে। মুছা (আঃ)-এ বোজা বহন কৰিবলৈ এজন সহায়ক বিচাৰি দোৱা কৰিছিল, কিন্তু মুহাম্মদ ৰাছুলুল্লাহ (ছাঃ)-ক আল্লাহ তা'লাই নিবিচৰাকৈয়ে পাঁচজন মন্ত্ৰী (সহায়ক) প্ৰদান কৰিলে; আৰু এনে কিছুমান মন্ত্ৰী (সহায়ক) যিসকলে তেখেতৰ বোজা বহন কৰাত অসাধাৰণ কৃতিত্ব প্ৰদৰ্শন কৰিছিল। ওৱাৰকা নিশ্চিতভাৱে সোনকালেই মৃত্যু মুখত পৰিছিল, কিন্তু তেখেতে সত্যনিষ্ঠাৰ এক মচি পেলাব নোৱাৰা সাক্ষ্য দি গ'ল। **হজৰত খাদিজা (ৰা:)** এগৰাকী মহিলা হৈ বাৰ বছৰ ধৰি যি কাম কৰি দেখুৱাইছিল, সেয়া দেখি অতি সাহসী পুৰুষৰো চকু তললৈ নামি যায়। **জায়েদ (ৰা:)-এ** বিশ বছৰ ধৰি আত্মত্যাগৰ এক অতুলনীয় কোৰবাণী আৰু অৱশেষত তৰোৱালৰ ধাৰৰ সন্মুখত নিজৰ তেজ বিসৰ্জন দি প্ৰমাণ কৰি দেখুৱাইছিল যে মুহাম্মদ (ছাঃ)-ৰ সহায়ক কেনেকুৱা হোৱা উচিত। **হজৰত আবুবক্কৰ**

**(ৰা:)** আৰু **হজৰত আলী (ৰা:)** তো তেখেত (ছাঃ)ৰ মৃত্যুৰ পিছতো আছিল আৰু খলিফা হৈ এক নতুন ৰূপত নিজৰ আনুগত্য আৰু সহায়ক হোৱাৰ প্ৰমাণ দি গৈছে।

হজৰত মছীহ মাওউদ (আ:)-এ কৈছে যে আমাৰ নেতা আৰু মাউলা হজৰত মুহাম্মদ (ছাঃ)-ৰ সত্যনিষ্ঠা আৰু আনুগত্যলৈ চাওক; তেখেত (ছাঃ) এ প্ৰতিটো কু-প্ৰৰোচনাৰ মোকাবিলা কৰিছে, বিভিন্ন প্ৰকাৰৰ দুখ-কষ্ট আৰু সমস্যা সহ্য কৰিছে, কিন্তু কেতিয়াও ভ্ৰূক্ষেপ কৰা নাই। এই সত্যনিষ্ঠা আৰু আনুগত্যৰ বাবেই আল্লাহ তা'লাই অনুগ্ৰহ কৰিছে। সেইকাৰণে আল্লাহ তা'লাই কৈছে:

اِنَّ اللّٰہَ وَ مَلٰٓئِکَتَہٗ یُصَلُّوۡنَ عَلَی النَّبِیِّ یٰۤاَیُّہَا الَّذِیۡنَ اٰمَنُوۡا صَلُّوۡا عَلَیۡہِ وَ سَلِّمُوۡا تَسۡلِیۡمًا

**"নিশ্চয় আল্লাহ আৰু তেওঁৰ ফিৰিস্তাসকলে নবীৰ প্ৰতি দৰুদ পঠিয়ায়। হে মুমিনসকল! তোমালোকেও নবীৰ প্ৰতি অধিক পৰিমাণে দৰুদ আৰু ছালাম পঠোৱা।"**

এই আয়াতৰ পৰা স্পষ্ট হয় যে ৰছুল কৰিম (ছাঃ)-ৰ কৰ্মবোৰ এনে আছিল যে আল্লাহ তা'লাই তেখেতৰ গুণগান বা বৈশিষ্ট্যসমূহ সীমাবদ্ধ কৰিবলৈ কোনো বিশেষ শব্দ ব্যৱহাৰ কৰা নাছিল। শব্দ নিশ্চয় পোৱা গ'লহেঁতেন, কিন্তু নিজেই ব্যৱহাৰ নকৰিলে। অৰ্থাৎ তেখেত (ছাঃ) সৎকৰ্মৰ প্ৰশংসা সীমাৰ বাহিৰত আছিল। এই ধৰণৰ আয়াত আন কোনো নবীৰ মৰ্যাদাপূৰ্ণ স্থানত ব্যৱহাৰ কৰা হোৱা নাই। তেখেত (ছাঃ)ৰ আত্মাত সেই সত্যতা আৰু পবিত্ৰতা আছিল আৰু তেখেত (ছাঃ) ৰ কৰ্মসমূহ আল্লাহৰ দৃষ্টিত ইমানেই প্ৰিয় আছিল যে আল্লাহ তা'লাই চিৰকালৰ বাবে এই নিৰ্দেশ দিলে যে ভৱিষ্যতে মানুহে কৃতজ্ঞতা হিচাপে দৰূদ পঠিয়াব।

তেখেত (ছাঃ)ৰ সাহস আৰু সত্যনিষ্ঠা এনে আছিল যে যদি আমি ওপৰত বা তলত চকু ফুৰাওঁ, তেন্তে ইয়াৰ কোনো তুলনা পোৱা নাযায়। আমাৰ পবিত্ৰ নবী (ছাঃ)-এ হাজাৰ হাজাৰ মানুহক সংশোধন কৰিছে যিসকল পশুতকৈও অধম আছিল; কিছুমানে আনকি মাক আৰু ভনীয়েকৰ মাজত পশুৰ দৰে পাৰ্থক্য নকৰিছিল। তেওঁলোকে অনাথৰ ধন খাইছিল, মৃতকৰ সম্পত্তি খাইছিল। কিছুমান আছিল নক্ষত্ৰ পূজাৰী, কিছুমান নাস্তিক আৰু কিছুমান প্ৰকৃতি পূজাৰী। আৰৱ উপদ্বীপটো যেন বিভিন্ন ধৰ্মৰ এক সংমিশ্ৰণ আছিল। ইয়াৰ দ্বাৰা এক ডাঙৰ লাভ এইটো হ'ল যে কোৰআন কৰিমে নিজৰ মাজত প্ৰতিটো প্ৰকাৰৰ শিক্ষা দাঙি ধৰিছে; পৃথিৱীত যিমানবোৰ ভুল বিশ্বাস বা কু-শিক্ষা সম্ভৱ, সেইবোৰ নিৰ্মূল কৰিবলৈ পৰ্যাপ্ত শিক্ষা ইয়াত আছে।

এয়া আল্লাহ তা'লাৰ গভীৰ জ্ঞান আৰু প্ৰজ্ঞা যে তেওঁ হজৰত মুহাম্মদ (ছাঃ)-ক এনে সময়ত পঠিয়াইছিল যেতিয়া অজ্ঞতা চৰম সীমাত আছিল আৰু তাৰ পিছত সেই পশু স্বভাৱৰ মানুহবোৰক মানুহ হিচাপে গঢ়ি তুলিছিল।

**اللھم صل علی محمد وعلیٰ آل محمد وبارک وسلم انک حمید مجید.**

হুজুৰ আনোৱাৰে কয় যে আল্লাহ তা'লাই আমাক তেখেত (ছাঃ)ৰ আদৰ্শ অনুসৰণ কৰি সত্যৰ মানদণ্ডক অধিক উচ্চ কৰাৰ সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 24 April 2026

Nazarat Nashor-O-Ishaat Qadian

**IAN**